**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 30-04-2025

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন হয়।

২। ভাৰতত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হবলগীয়া বিশ্ব দৃশ্য-শ্ৰব্য বিনোদন সন্মিলনখন কাইলৈ মুম্বাইৰ জিঅ' কনভেনছন চেণ্টাৰত আৰম্ভ হ'ব।

৩। উত্তৰ পূৱ উন্নয়ন ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰে আজি নতুন দিল্লীত বহু-বিষয়ক শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয়সমূহৰ বাবে প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযানৰ অন্তৰ্গত এখন দুদিনীয়া কৰ্মশালাৰ শুভাৰম্ভ কৰে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনৰ সামৰিক বাহিনীয়ে যুটীয়াভাৱে য়েমেনৰ ৰাজধানী চানাৰ ওচৰত বিমান আক্ৰমণ চলাইছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন হয়। সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰো এখন বৈঠক আজি সন্ধিয়া অনুষ্ঠিত হ'ব।

ইপিনে সীমান্তৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানী সেনাৰ অপৰোচিত গোলাবৰ্ষণ সন্দৰ্ভত সেনা বাহিনীৰ ডি জি এম অ'ই - পাকিস্তানী সেনা বাহিনীৰ ডি জিএমঅ'ৰ সৈতে টেলিফোনযোগে কথা বতৰা হয়। প্ৰতিৰক্ষা সূত্ৰই আজি নতুন দিল্লীত প্ৰকাশ কৰা অনুসৰি দুয়োদেশৰ সেনা বাহিনীৰ মাজত থকা হটলাইনৰ জৰিয়তে হোৱা এই কথা বতৰাত ভাৰতীয় পক্ষই পাকিস্তানৰ দ্বাৰা এনে অপৰোচিত গোলাবৰ্ষণ কোনোপধ্যে সহ্য কৰা নহব বুলি সকিয়াই দিয়ে।

০০০০

ভাৰতত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হবলগীয়া বিশ্ব দৃশ্য-শ্ৰব্য বিনোদন সন্মিলনখন কাইলৈ মুম্বাইৰ জিঅ' কনভেনছন চেণ্টাৰত আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে এই সন্মিলনখন মুকলি কৰিব। ৪ দিনীয়া এই সন্মিলনখনত ডিজিটীয়ভাৱে বিভিন্ন বিষয়ৰ ওপৰত কাম কৰি থকা ব্যক্তিসকলৰ বাবে তথা ভাৰতক বিভিন্ন দেশৰ বাবে বিনোদনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে আৰু ডিজিটীয় উদ্ভাৱনৰ বাবে ষ্টাৰ্ট আপসমূহৰ বাবে উদ্যোগৰ মুৰব্বী আৰু বিশ্বৰ নীতি নিৰ্মাণকাৰীসকলক এখন মঞ্চ প্ৰদান কৰাৰ উদ্দেশ্যে এই সন্মিলনত প্ৰচেষ্টা চলোৱা হ'ব। সৃষ্টিশীলতাক গতি প্ৰদান কৰা তথা প্ৰযুক্তি আৰু প্ৰতিভাৰ দ্বাৰা উন্নতমানৰ ভৱিষ্যত গঢ় দিবৰ বাবে ৰেৱছৰ এই সন্মিলনে চিনেমা, অটিটি, গেমিং, ডিজিটেল মিডিয়া, কৃত্ৰিম বুদ্ধিমত্তা, সম্প্ৰচাৰণ আৰু নতুন প্ৰযুক্তিক একত্ৰিত কৰি ভাৰতৰ সংবাদ মাধ্যম আৰু বিনোদনক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিবৰ বাবে এই সন্মিলনৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সন্মিলনে ২০২৯ চনলৈকে বিশ্বৰ বিনোদনধৰ্মী অৰ্থনীতিত ৫০ বিলিয়ন ডলাৰৰ বাণিজ্য প্ৰসাৰৰ লক্ষ্য লৈছে। এই ৰেৱছ সন্মিলনত বিশ্বস্তৰৰ বিভিন্ন আলোচনাচক্ৰ, ক্ৰেতা বিক্ৰেতাৰ লগালগি, নতুনকৈ আগবাঢ়ি অহা ডিজিটেল ব্যৱস্থাৰ জৰিয়তে কাম কৰি থকা ব্যক্তিসকলক সুবিধা প্ৰদান কৰা আৰু সাধুকথা বিন্যাসৰ জৰিয়তে উপস্থিত ব্যক্তিসকলক অন্তৰ্ভুক্ত কৰা ইত্যাদি উদ্যোগো গ্ৰহণ কৰা হৈছে।

০০০০

উত্তৰ পূৱ উন্নয়ন ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰে আজি নতুন দিল্লীত বহু-বিষয়ক শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয়সমূহৰ বাবে প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযানৰ অন্তৰ্গত এখন দুদিনীয়া কৰ্মশালাৰ শুভাৰম্ভ কৰে। কৰ্মশালাখন মুকলি কৰি নিজৰ ভাষণত ড০ মজুমদাৰে কয়, যে বৰ্তমানৰ নতুন শিক্ষানীতিয়ে যুৱ প্ৰজন্মক আধুনিক মানসিকতাৰে গঢ়ি তোলাৰ লগতে শিক্ষা প্ৰতিষ্ঠানসমূহকো আধুনিক কৰি তুলিছে আৰু প্ৰাচীন জ্ঞানক নতুন উদভাৱন ব্যৱস্থাৰ সৈতে সংযোজিত কৰিছে। তেওঁ লগতে কয়, যে নতুন শিক্ষানীতি ২০২০ ৰ উদ্দেশ্য হৈছে ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলক কৌশল আৰু জ্ঞানৰ জৰিয়তে বিশ্বৰ দৰবাৰত বিভিন্ন প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ গঢ় দিয়া। এই কৰ্মশালাৰ জৰিয়তে ৬৪ খন বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষসকলৰ লগতে উচ্চ শিক্ষা বিভাগৰ ৰাজ্যিক প্ৰকল্প সঞ্চালকসকলে পঠিওৱা প্ৰকল্প বিষয়াসকলে কেন্দ্ৰীয় আৰু ৰাজ্যিক বিত্তীয় সাহায্যৰ জৰিয়তে নতুন শিক্ষানীতিৰ উপাদানসমূহ কিদৰে প্ৰয়োগ কৰিব পৰা যায় এই বিষয়ে পৰামৰ্শ আগবঢ়াব। উচ্চ শিক্ষা বিভাগৰ সচিব ড০ বিনিত যোশী, শিক্ষা বিভাগৰ অতিৰিক্ত সচিব সুনিল কুমাৰ বাৰনৱাল প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি আৰু বিশ্বদ্যালয়সমূহৰ উপাধ্যক্ষসকল এই অনুষ্ঠানত উপস্থিত থাকে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অহা ৯ মে'ত মস্কোত অনুষ্ঠিত হ'বলগীয়া বিজয় পেৰেডত অংশগ্ৰহণ কৰিবলৈ ৰাছিয়া অভিমুখে যাত্ৰা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, এই অনুষ্ঠানত উপস্থিত থাকিবলৈ ৰাছিয়াই প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীক আমন্ত্ৰণ জনাইছিল যদিও প্ৰধানমন্ত্ৰীৰ ঠাইত প্ৰতিৰক্ষা মন্ত্ৰীজনে এই পেৰেডত ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০

লেফটেনেণ্ট জেনেৰেল প্ৰতিক শৰ্মাই আজি উধমপুৰস্থিত উত্তৰ প্ৰান্তৰ সেনাৰ কমাণ্ডাৰ ইন ছীফৰ দাযিত্বভাৰ গ্ৰহণ কৰিছে। আকাশবাণীৰ জন্মুৰ সংবাদদাতাই জনোৱা মতে, ১৫ মাহৰ দায়িত্বত থকা লেফটেনেণ্ট জেনেৰেল এম ভি সুচেন্দ্ৰ কুমাৰৰ ঠাইত তেওঁ এই দায়িত্বত নিয়োজিত হৈছে। সুচেন্দ্ৰ কুমাৰে আজি নিজৰ ৩০ বছৰীয়া কৰ্মজীৱনৰ সামৰণি পেলাই অৱসৰ গ্ৰহণ কৰে। শ্ৰীশৰ্মা পূৰ্বতে পৱন, মেঘদূত, ৰক্ষক আৰু পৰাক্ৰমৰ দৰে কেইবাটাও গুৰুত্বপূৰ্ণ অভিযানৰ অংশ আছিল। লেফটেনেণ্ট জেনেৰেল শ্ৰীশৰ্মাই সেনা সচিব শাখাৰ সেনা অভিযানৰ সচিব হিচাপেও এসময়ত কাৰ্যকাল সম্পন্ন কৰিছিল।

০০০০

কৰ্ণাটকৰ হুবল্লিত আৰক্ষীৰ এনকাউণ্টাৰত এজন লোকৰ মৃত্যু হোৱা ঘটনাৰ ভিত্তিত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে কৰ্ণাটকৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানলৈ জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে এনকাউণ্টাৰত মৃত্যু হোৱা লোকজন এগৰাকী নাবালিকা বলপূৰ্বকভাৱে ধৰ্ষণ কৰি হত্যাৰ অভিযোগত অভিযুক্ত আছিল। আয়োগে ৪ সপ্তাহৰ ভিতৰত ৰাজ্য চৰকাৰৰ পৰা ঘটনাটোৰ সম্পূৰ্ণ তথ্য সহকাৰে প্ৰতিবেদন বিচাৰি জাননী জাৰি কৰাৰ লগতে ঘটনাটোৰ বিষয়ে প্ৰকাশ পোৱা সংবাদমাধ্যমৰ প্ৰতিবেদনসমূহো গুৰুত্ব সহকাৰে অধ্যয়ন কৰিছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনৰ সামৰিক বাহিনীয়ে যুটীয়াভাৱে য়েমেনৰ ৰাজধানী চানাৰ ওচৰত বিমান আক্ৰমণ চলাইছে। এই যুটীয়া সামৰিক অভিযানত ব্ৰিটেইনৰ চোৰাংচোৱাই চিনাক্ত কৰা হুথী সশস্ত্ৰ গোটে লোহিত সাগৰৰ জাহাজত আক্ৰমণৰ বাবে ব্যৱহাৰ কৰা ড্ৰোন নিৰ্মাণ স্থানসমূহক লক্ষ্য কৰা হৈছে।

ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে ওৰেতো নিশা চানাৰ পৰা প্ৰায় ২৪ কিলোমিটাৰ দক্ষিণে চলোৱা আক্ৰমণৰ বিশদ ব্যাখ্যা আগবঢ়াই জনাইছে, যে মন্ত্ৰালয়ে এই আক্ৰমনত সাধাৰণ

লোকৰ ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে কৰা প্ৰচেষ্টা চলাইছিল যদিও এতিয়ালৈকে হতাহতৰ সংখ্যা প্ৰকাশ কৰা নাই। ১৫ মাৰ্চৰ পৰা পুনৰ সেনাৰ অভিযান আৰম্ভ কৰাৰ পিছত হুথীৰ বিভিন্ন স্থানত আক্ৰমণ চলোৱা আমেৰিকা যুক্তৰাষ্ট্ৰই এতিয়াও এই অভিযানৰ বিষয়ে কোনো মন্তব্য আগবঢ়োৱা নাই।

উল্লেখযোগ্য যে মাৰ্চৰ মাজভাগত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ সেনা বাহিনীক লোহিত সাগৰৰ জাহাজত আক্ৰমণ কৰা হুথী সশস্ত্ৰ বাহিনীৰ ওপৰত শক্তিশালীভাৱে আক্ৰমণ কৰিবলৈ নিৰ্দেশ দিছিল আৰু তেতিয়াৰে পৰা সমগ্ৰ য়েমেনত ১০০০ৰো অধিক স্থানত সেনাবাহিনীয়ে আক্ৰমন কৰিছে। আক্ৰমণত বহুতো হুথী যুঁজাৰু আৰু নেতাৰ মৃত্যু হোৱাৰ লগতে আগতকৈ তেওঁলোকৰ সামৰ্থ্য হ্ৰাস পোৱা বুলি পেন্টাগনে জানিবলৈ দিছে।

০০০০

অসম, নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ যুটীয়া ৰাজ্যিক হজ সমিতিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ হজ যাত্ৰী সকলক মদিনালৈ পঠিয়াবলৈ সাজু হৈছে। হজ সমিতিৰ অধ্যক্ষ নেকিবুৰ জামানে আজি গুৱাহাটীৰ হাজি মুছাফিৰখানাত এখন সংবাদমেল আয়োজন কৰি ৩ মে'ৰ পৰা ৮ মে'লৈ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ২ হাজাৰ ৭৮২ গৰাকী হজ যাত্ৰী মক্কা আৰু মদিনালৈ ৰাওনা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰে এহেজাৰ ৯২৭ গৰাকী পুৰুষ হজ যাত্ৰী আৰু ৮৫৫ গৰাকী মহিলা যাত্ৰী। অধ্যক্ষ জামানে প্ৰকাশ কৰা অনুসৰি হজ যাত্ৰাৰ বাবে ৩ মে'ত প্ৰথমটো দলে গুৱাহাটী বিমান বন্দৰৰ পৰা যাত্ৰা কৰিব। প্ৰতিদিনে এখনকৈ বিমানত ৩২১ গৰাকীকৈ যাত্ৰী ৰাওনা হ'ব। অসমৰ দুহেজাৰ ৭৪২ জন, মেঘালয়ৰ ২৬ জন আৰু মিজোৰামৰ পৰা এজন হজ যাত্ৰী মদিনালৈ যাব।

০০০০

ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে আজি দেশৰ বিভিন্ন প্ৰান্তত অক্ষয় তৃতীয়া পালন কৰা হৈছে। প্ৰতি বছৰে ব'হাগ মাহৰ শুক্লা তৃতীয়া তিথিত এই উৎসৱ উদযাপন কৰা হয়। লোকবিশ্বাস অনুসৰি এই দিনটোতে সত্য যুগৰ আৰম্ভণি আৰু ভগৱান বিষ্ণুৰ ষষ্ঠ অৱতাৰ পৰশুৰামৰ জন্ম হৈছিল। জনশ্ৰুতি অনুসৰি শুক্লা তৃতীয়া দিনটোতে ভগীৰথে গংগা নদীক সৰগৰ পৰা মৰ্ত্যলৈ বোৱাই লৈ আহিছিল। এই দিনটোত গংগা স্নান কৰিলে পূণ্য অৰ্জন হয় বুলি বিশ্বাস কৰা হয়।

ইয়াৰ লগতে আজি উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ গংগোত্ৰী আৰু য়মুনোত্ৰী মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ লগে লগে পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হয়। বৈদিক মন্ত্ৰোচ্চাৰণ আৰু অন্য ৰীতি-নীতিৰ মাজেৰে দুয়োটা মন্দিৰৰ দ্বাৰ মুকলি কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অক্ষয় তৃতীয়া উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে এইবুলি আশা প্ৰকাশ কৰিছে যে মানৱতাৰ প্ৰতি উৎসৰ্গিত এই উৎসৱে যেন সকলোৰে জীৱনলৈ সাফল্য, সমৃদ্ধি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনে। এই উৎসৱে বিকশিত ভাৰত গঢ়াৰ বাবে লোৱা সমূহীয়া সংকল্প অধিক সুদৃঢ় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পাঞ্জাৱ কিংছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

পাঞ্জাব কিংছ বৰ্তমানলৈকে ৯খন খেলৰ পৰা ১১ পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। চেন্নাই ছুপাৰ কিংছ ৯খন খেলৰ পৰা ৪ পইণ্ট লাভ কৰি তালিকাৰ একেবাৰে শেষত আছে। ইপিনে, যোৱা নিশা নতুন দিল্লীত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে।

০০০০